Elementary English

প্ৰাথমিক ইংৰাজী

TESS India

Using the textbook creatively

সৃজনমূলকভাৱে পাঠ্যপুথিৰ ব্যৱহাৰ



Teacher Education through School-based Support in India
www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

http://creativecommons.org/licenses/

The Open University

UKaid from the British people

TESS-India (Teacher Education through School-based Support) aims to improve the classroom practices of elementary and secondary teachers in India through the provision of Open Educational Resources (OERs) to support teachers in developing student-centred, participatory approaches. The TESS-India OERs provide teachers with a companion to the school textbook. They offer activities for teachers to try out in their classrooms with their students, together with case studies showing how other teachers have taught the topic and linked resources to support teachers in developing their lesson plans and subject knowledge.

TESS-India OERs have been collaboratively written by Indian and international authors to address Indian curriculum and contexts and are available for online and print use (http://www.tess-india.edu.in/). The OERs are available in several versions, appropriate for each participating Indian state and users are invited to adapt and localise the OERs further to meet local needs and contexts.

TESS-India is led by The Open University UK and funded by the UK government.

Video resources

Some of the activities in this unit are accompanied by the following icon: . This indicates that you will find it helpful to view the TESS-India video resources for the specified pedagogic theme.

The TESS-India video resources illustrate key pedagogic techniques in a range of classroom contexts in India. We hope they will inspire you to experiment with similar practices. They are intended to complement and enhance your experience of working through the text-based units, but are not integral to them should you be unable to access them.

TESS-India video resources may be viewed online or downloaded from the TESS-India website, http://www.tess-india.edu.in/). Alternatively, you may have access to these videos on a CD or memory card.

Version 2.0 EE10v1
Assam

Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/

TESS-India is led by The Open University UK and funded by UK aid from the UK government

এই গোটটো কিহৰ বিষয়ে (What this unit is about)

পাঠ্যপুথি এখনৰ পাঠসমূহ অতিৰিক্ত ইংৰাজী ভাষা শিকনৰ পাঠৰ আৰম্ভণি কাৰ্য হিচাপেও ব্যৱহাৰ কৰিব পাৰি এই গোটটোত তাৰেই আলোচনা কৰা হৈছে। পাঠ্যপুথিখন আপুনি পাঠ পঢ়োৱাৰ বাবে এক গুৰুত্বপূৰ্ণ সমল। এই গোটটোত পাঠ্যপুথিখন কেনেদৰে বিভিন্ন ধৰণে ব্যৱহাৰ কৰিব পাৰি, পাঠটো মনোগ্ৰাহী কৰিব পাৰি আৰু ছাত্ৰ-ছাত্ৰীৰ শিকন কেনেকৈ উন্নত কৰিব পাৰি তাকেই দেখুৱাইছে।

ইংৰাজী ভাষা শিকনৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে পাঠৰ বাহিৰেও যথেষ্ট পৰিমাণে ইংৰাজী ভাষা কোৱা আৰু শুনা অভ্যাস কৰা প্ৰয়োজন। ইংৰাজী ভাষা সঘনে শুনা আৰু কোৱা অভ্যাসে ইংৰাজী ভাষাৰ পাঠ শিকনত সহায় কৰাৰ উপৰি ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীকক্ষত ইংৰাজী ভাষা প্ৰয়োগ কৰাতো আত্মবি ধাস জন্মায়।

যেতিয়া শিক্ষকে ইংৰাজী পাঠ্যপুথিখন বিস্তৃতভাবে পঢ়ুৱাই অৰ্থাৎ বিভিন্নধৰণে উপযোগী কৰি তোলে, তেতিয়া শিক্ষকে বিভিন্ন দিশত ইংৰাজী ভাষা প্ৰয়োগ কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীক অনুপ্ৰেৰণা দিব লাগে। শিক্ষকে নিজেও নিজৰ ইংৰাজীৰ প্ৰতি দৃঢ়তা আৰু শিক্ষণ কৌশল উন্নত কৰাত যত্ন ল'ব লাগে। এই গোটটোত বিভিন্ন ঘটনা অধ্যয়ন আৰু ত্ৰি য়া-কলাপ এনেদৰে সজোৱা হৈছে যিয়ে আপোনাক শ্ৰেণীকক্ষত ইংৰাজী শিকাৰ সুযোগ দিয়াৰ পৰিকল্পনা কৰাত সহায় কৰিব।

এই গোটটোৰ পৰা কি শিকিব পাৰিব (What you can learn in this unit)

- মৌখিক ত্ৰি য়া-কলাপৰ বাবে পাঠ্যপুথিখন বিভিন্ন প্ৰকাৰে অৰ্থাৎ নমনীয়ভাবে ব্যৱহাৰ কৰিব পাৰিব।
- নতুন ইংৰাজী শব্দ ব্যৱহাৰ কৰিব পাৰিব।
- ইংৰাজী পাঠসমূহ ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ লগত সংযোগ সাধন কৰিব পাৰিব।

১) পাঠ্যপুথিৰ ব্যৱহাৰ (1 Using the textbook)

প্ৰথমটো ঘটনা অধ্যয়নত নিয়মিতভাবে কৰোৱা সৰু সৰু ত্ৰি য়া-কলাপে আপোনাক আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীক ইংৰাজীৰ অনুশীলন আৰু দৃঢ়তা বঢ়োৱাত সহায় কৰিব।

ঘটনা অধ্যয়ন ১ ঃ ভাষাৰ ৰুটিনৰ উন্নীতকৰণৰ বাবে তাপসী মজুমদাৰে পাঠ্যপুথিৰ পাঠসমূহ ব্যৱহাৰ কৰে (Case Study 1: Tapashi Mazumdar uses textbook lessons to develop language routines)

তেওঁ পাঠ্যপুথিখন তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ কথন, শ্ৰৱণ আৰু শব্দভাণ্ডাৰৰ দৃঢ়ীকৰণৰ বাবে ব্যৱহাৰ কৰিছিল।

পাঠ্যপুথিত এটা হাতী পোৱালিৰ কাহিনী আছিল, যিয়ে ফল-মূল ভাল পাইছিল। হাতী পোৱালীটোৱে বিভিন্নধৰণৰ ফল-মূলবোৰ দোকান এখনৰ পৰা লৈ আহিছিল আৰু হাতীটোক “Please” “Thank you” আৰু “Sorry” শব্দকেইটা শিকোৱা হৈছিল। এই শব্দকেইটা কাহিনীটোৰ বাবে প্ৰয়োজনীয় আছিল। মই সদায় এই শব্দকেইটা নিয়মতিভাৱে আমাৰ দৈনন্দিন কথা বতৰাৰ অংশ হিচাপে প্ৰয়োগ কৰিছিলোঁ। মই ছাত্ৰ-ছাত্ৰীসকলক এই শব্দকেইটা প্ৰয়োগ কৰিবলৈ উদ্‌গনি দিছিলোঁ। মই নিজেও সেই শব্দকেইটা প্ৰয়োগ কৰি উদাহৰণ দিছিলোঁ। যদিও মই সঠিকভাবে শব্দকেইটা ইংৰাজীত কোৱা ধৰণৰ সুৰত ক'ব নাজানিছিলো।

পাঠ্যপুথিত সপ্তাহৰ বাৰকেইটা সম্বন্ধে এটা পদ্যও আছে। মই শ্ৰেণীকোঠালৈ এখন কেলেণ্ডাৰ আনি বেৰত আঁৰি থৈছিলোঁ। মই পদ্যটো পঢ়াইছিলো আৰু পাঠটোত নথকা স্বত্বেও বছৰৰ মাহবোৰৰ কথাও পঢ়াইছিলোঁ। তাৰপাছত মই এখন দৈনন্দিন ৰুটিন আৰম্ভ কৰিছিলোঁ। প্ৰতিটো শ্ৰেণী আৰম্ভ হোৱাৰ আগতে প্ৰতিদিনে পুৱা এগৰাকী ছাত্ৰী থিয় হৈ দিনটোৰ তাৰিখ, বাৰ, মাহ আদিৰ বিষয়ে ঘোষণা কৰিব লাগে ঃ “Good morning class. Today is Monday, October the thirteenth, two thousand and fourteen.

আমাৰ কেইখনমান নিয়মীয়া ইংৰাজী ৰুটিন হ'ল আৰু মই ছাত্ৰ-ছাত্ৰীৰ লগতে নিজৰ ইংৰাজীৰ মান উন্নত কৰাৰ সুবিধাও পালো।

চিন্তন (Pause for thought)

- তাপসী মজুমদাৰে এইধৰণে বহুলভাৱে পাঠ্যপুথিখন ব্যৱহাৰ কৰাত কিমান উপৰুৱা পৰিকল্পনা কৰিবলগীয়া হৈছিল বুলি আপুনি ভাবে?
- ছাত্ৰ-ছাত্ৰী অৰ্হতা আয়ত্বৰ বিভিন্ন স্তৰত থকা স্বত্বেও তাপসী মজুমজাৰৰ ৰুটিনখন শ্ৰেণীটোৰ সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে ফলপ্ৰসূ হ'ব বুলি আপুনি ভাবেনে? কিয় হ'ব বুলি ভাবে বা কিয় নহ'ব বুলি ভাবে?
- ভাষাৰ পাঠসমূহ আদান-প্ৰদান কৰিবৰ বাবে যি ৰুটিন আছে, তাৰ বাহিৰে ইংৰাজী শিক্ষাৰ কাৰণে আন ৰুটিন আছে নেকি?
- ছাত্ৰ-ছাত্ৰীৰ ইংৰাজী কথোপকথনৰ মান নিৰূপন কৰাৰ বাবে পাঠ্যপুথিৰ উপৰি আন কিবা সুবিধা আছেনে?

আপুনি যদি ছাত্ৰ-ছাত্ৰীক ইংৰাজী ভাষা অনুশীলন কৰিবলৈ ভাষাৰ পাঠৰ বাহিৰে, শ্ৰেণী চলি থকা দিনবোৰৰ আন সময়তো যথেষ্ট সুবিধা দিয়ে, তেনেহ'লে আপুনি তেওঁলোকৰ ইংৰাজী শুনাৰ, পৰ্যৱেক্ষণ কৰাৰ কাৰণে আৰু তেওঁলোকৰ শিকনৰ মান নিৰূপণ কৰাত যথেষ্ট সুযোগ পাব।

যদি ছাত্ৰ-ছাত্ৰীয়ে কেৱল পাঠ্যপুথিৰ পাঠৰ পৰা ইংৰাজী শুনে আৰু লিখে তেনেহ'লে তেওঁলোকৰ অগ্ৰগতি ধীৰ হ'ব আৰু আপুনি মান নিৰূপণ কৰিবলৈ সুবিধা কম পাব। পৰৱৰ্তী ত্ৰি য়া-কলাপ হিচাপে আপুনি ভাষাৰ পাঠ্যপুথিৰ গুণকাৰী দিশসমূহ বিচাৰি প্ৰয়োগ কৰক। আপোনাৰ নিজৰ ইংৰাজী অনুশীলন আৰু বহল প্ৰয়োগৰ বাবে ই এটা সুন্দৰ সুযোগ।

ইংৰাজী শিকনৰ ক্ষেত্ৰত শ্ৰৱণ, পৰ্যবেক্ষণ আৰু মান নিৰূপণ

ত্ৰি য়া-কলাপ ১ঃ পাঠ্যপুথিৰ ব্যৱহাৰ — এক পৰিকল্পিত ত্ৰি য়া-কলাপ (Activity 1: Using the textbook – a planning activity)

আপুনি আপোনাৰ ইংৰাজী পাঠ্যপুথিৰ পৰৱৰ্তী পাঠ অথবা গোটটো চাওক যাতে আপুনি বিষয়টো পঢ়ুৱাবলৈ আঁচনি তৈয়াৰ কৰিব পাৰে। আপোনাৰ টোকাবহীত এই প্ৰ.বোৰৰ উত্তৰ দিয়ক —

- এই গোটটোত বা পাঠটোত কিহৰ বিষয়ে কোৱা হৈছে? ছাত্ৰ-ছাত্ৰীৰ অভিজ্ঞতাৰ লগত পাঠটো কিমানখিনি জড়িত।
- ছাত্ৰ-ছাত্ৰীয়ে এই পাঠটোৰ পৰা সহজে শিকিব পৰা প্ৰধান শব্দ আৰু বাক্যৰ এখন তালিকা কৰক।
- এই তালিকাখনৰ কিমান শব্দ বা বাক্য আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে জানে?
- আপুনি বিদ্যালয়ৰ দিনটোৰ সময়তেই প্ৰধান শব্দ বা বাক্যবোৰ কেতিয়া ব্যৱহাৰ কৰিব ভাবিব পাৰিবনে?
- কেনেধৰণৰ অতিৰিক্ত ত্ৰি য়া-কলাপ বা সমলে এই তালিকাৰ শব্দ বা বাক্যবোৰ বহলভাৱে আগবঢ়াই নিয়াত সহায় কৰিব?

এতিয়া আপুনি আপোনাৰ তালিকাৰ পৰা এটা বা দুটা শব্দ বা বাক্য বিচাৰি লওক। এই শব্দকেইটা বা বাক্যকেইটা শ্ৰেণীকোঠাৰ প্ৰতিদিনৰ কাৰ্যসূচীৰ লগতে ব্যৱহাৰ কৰি যাওক।

কমেও দুসপ্তাহ এই কাৰ্যৰ অনুশীলন কৰক। এই কাৰ্য কৰি আপোনাৰ অনুভৱ কেনে? সহজ নে জটিল? ছাত্ৰ-ছাত্ৰীয়ে কেনেধৰণে সঁহাৰি দিয়ে? তেওঁলোকৰ ইংৰাজী প্ৰয়োগৰ মান কিছু উন্নত হৈছেনে? আপুনি কেনেকৈ জানিব?

সমল ১ ‘চিন্তাধাৰাৰ উন্নতি কৰণৰ বাবে প্ৰ.ন প্ৰয়োগ কৰক’ চাওক। আপোনাৰ সকলো ছাত্ৰ-ছাত্ৰীকে অংশগ্ৰহণ আৰু শিকনক উৎসাহিত কৰিবলৈ অধিক শিকনত জোৰ দিয়ক।

২) ছবি আৰু শব্দ (2 Pictures and words)

প্ৰথম ঘটনা অধ্যয়নটোত তাপসী মজুমদাৰে পাঠ্যপুথিৰ পৰা শব্দ আৰু বাক্য বিচাৰিবলৈ বিভিন্ন উপায় উলিয়াবলগীয়া হৈছিল — যিবোৰ শব্দ বা বাক্য তেওঁ আৰু ছাত্ৰ-ছাত্ৰীয়ে ভাষাৰ পাঠ শেষ হোৱাৰ পাছতো ব্যৱহাৰ কৰিব পাৰিব। পৰৱৰ্তী ঘটনা অধ্যয়নত এজন শিক্ষকে পাঠ্যপুথিৰ পাঠটোত ছবি আদি প্ৰয়োগ কৰি কিছু নতুনকৈ সজাই ছাত্ৰ-ছাত্ৰীৰ ইংৰাজী কথন আৰু শব্দভাণ্ডাৰ উন্নত কৰিবলৈ প্ৰয়াস কৰে।

ঘটনা অধ্যয়ন ২ ঃ ধ্ৰুৱ গগৈয়ে ভাষা বিকাশৰ বাবে ছবিৰ প্ৰয়োগ কৰে (Case Study 2: Dhurba Gogoi uses pictures to develop language)

ধ্ৰুৱ গগৈয়ে চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ পৰিয়াল সম্বন্ধে থকা জ্ঞানৰ প্ৰয়োগ কৰি ইংৰাজী শিকাইছিল।

পাঠ্যপুথিৰ গোট ১ ত এজন শিশুৰ আৰু তেওঁৰ পৰিয়ালৰ বিষয়ে আছিল। মই ছাত্ৰ-ছাত্ৰী সকলোকে পৰিয়াল শব্দটো দেখুৱালোঁ লগতে পাঠ্যপুথিত থকা ছবিখনো দেখুৱালোঁ। ‘পৰিয়াল’ শব্দটো ডাঙৰকৈ উচ্চাৰণ কৰিলো আৰু ব’ৰ্ডত শব্দটো লিখি দিলোঁ। তাৰপাছত তেওঁলোকক মই নিজৰ দেউতাক মাক, ককাক, আইতাকৰ ছবি আঁকিবলৈ ক’লো আৰু প্ৰতিটো ছবিৰ তলত ইংৰাজী শব্দৰে লেবেল লগাবলৈ দিলো। তেতিয়া তেওঁলোকে মোক প্ৰ.ন সুধিবলৈ ধৰিলে যেনে —

- ‘Does English not have different names for the father’s mother and the mother’s mother?’ (ইংৰাজীত দেউতাকৰ মাকৰ আৰু মাকৰ মাকৰ বাবে বেলেগ বেলেগ নাম নাই নেকি?)
- ‘Is the word for elder sister the same as for younger sister?’ (সৰু ভনীয়েকৰ কাৰণে যি শব্দ সেই একেই শব্দ ডাঙৰ বায়েকৰ বাবেও নেকি?)

মই তেওঁলোকক ‘elder sister’ (ডাঙৰ বাইদেউ) আৰু ‘younger sister’ (সৰু ভন্টী) ৰ লগতে ‘mother’s mother’ (মাকৰ মাক) আৰু ‘father’s mother’ (দেউতাকৰ মাক) শিকাইছিলো যদিও এইবোৰ পাঠ্যপুথিত নাছিল। তাৰপাছত মই মুখে মুখে ছাত্ৰ-ছাত্ৰীয়ে আঁকা ছবিৰ সহায়েৰে বাক্য গঠন কৰিবলৈ স্পষ্টকৈ দেখুৱাই দিছিলো। যেনে -

This is my mother. This is my elder sister.
This is Rajiv’s father.
This is Amrita’s grandmother, her mother’s mother.

একেলগে সকলোকে ডাঙৰ ডাঙৰকৈ বাক্যকেইটা অনুশীলন কৰাইছিলোঁ। এইটো মোৰ নিজৰ ইংৰাজী অনুশীলনৰ বাবেও ভাল আছিল।

সপ্তাহৰ শেষৰফালে মই পাঠটো কিছু বহলাই আদান-প্ৰদান কৰিছিলোঁ। প্ৰথমতে মই পাঠ্যপুথিত থকা ‘he’ আৰু ‘she’ শব্দকেইটাত ছাত্ৰ-ছাত্ৰীক গোল (O) চিন দিবলৈ কৈছিলোঁ। তাৰপাছত মই তেওঁলোকে আঁকা ছবি কেইখনৰ সহায়েৰে প্ৰথম বাক্যকেইটাত কেনেকৈ নতুন শব্দ সমষ্টিৰে লগ লগাব পাৰি, সেইটো দেখুৱালোঁ।

This is my mother. She is pretty.
This is my elder sister. She is tall.
This is my brother. He is crying.
This is Amrita’s grandmother. She is nice.
This is Sushant’s father. He is a farmer.

মই ছাত্ৰ-ছাত্ৰীসকলক দুজন দুজনকৈ এটা এটা গোট হ’বলৈ দি দুয়োকে বাক্যবোৰ অনুশীলন কৰিবলৈ দিছিলোঁ লগতে তেওঁলোকে আঁকা ছবিবোৰৰ শব্দবোৰ দেখুৱাইছিলোঁ। তেওঁলোকে অনুশীলন কৰাৰ লগে লগে মই প্ৰত্যেককে পৰ্যৱেক্ষণ কৰিছিলোঁ আৰু তেওঁলোকৰ দৃঢ়তা আৰু কৌশলসমূহৰ এটি টোকা প্ৰস্তুত কৰিছিলোঁ।

কিছুমান ছাত্ৰ-ছাত্ৰী অনাথ আশ্ৰমৰ আছিল আৰু তেওঁলোকৰ কোনো পৰিয়াল নাছিল। মই তেওঁলোকক তেওঁলোকৰ বন্ধু আৰু গাৱঁত লগ পোৱা আন মানুহৰ ছবি আঁকিবলৈ কৈছিলোঁ। তেওঁলোকে যাতে নিজকে পৰিয়ালবিহীন বুলি নাভাবে সেইকাৰণে এই কামতো অতি সাৱধানে আৰু বিশেষ মনোযোগেৰে কৰিছিলোঁ। যিবোৰ ছাত্ৰ-ছাত্ৰীৰ দৃঢ়তা বা আত্মবি.াস কম আছিল তেনে ছাত্ৰ-ছাত্ৰীক

তেওঁলোকৰ ছবিবোৰ আঙুলিয়াই দেখুৱাই সুধিছিলোঁ — এইয়া তোমাৰ দেউতানে? এইয়া তোমাৰ ভনীনে? এইয়া তোমাৰ বন্ধুনে? এইজন খেতিয়কনে? তেওঁলোকে 'হয়' বা 'নহয়' বুলি কৈ উত্তৰ দিছিল বা 'মাত্ৰ মূৰ দুপিয়াইছিল।' তেনেকৈয়ে মই তেওঁলোকৰ বুজি পোৱাৰ মান নিৰূপণ কৰিছিলোঁ।

চিন্তন (Pause for thought)

- ধ্ৰুৱ গগৈৰ বৰ্ণনাটোৰ পৰা তেওঁ প্ৰয়োগ কৰা ত্ৰি য়া-কলাপসমূহে কিমান পাঠ সাঙুৰিছে বুলি আপুনি ভাবে?
- তেওঁৰ পাঠ পৰিকল্পনাটো টোকা ৰূপত লিখিবলৈ চেষ্টা কৰক।

ভি. ডি. অ’ ঃ যুৰীয়া কামৰ প্ৰয়োগ (Video: Using pair work)

ত্ৰি য়া-কলাপ ২ ঃ ছবিৰ ব্যৱহাৰ (Activity 2: Using pictures)

ঘটনা অধ্যয়ন ২ উদাহৰণ হিচাপে ব্যৱহাৰ কৰি এটা পাঠ পৰিকল্পনা কৰক যাতে ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী পঢ়োতে বা ইংৰাজী পাঠ অনুশীলন কৰোঁতে ছবি প্ৰয়োগ কৰিব পাৰে।

ইংৰাজী অনুশীলনৰ বাবে ছবিৰ ব্যৱহাৰ

পাঠ্যপুথিৰ এটা পাঠ লওক। পাঠটো পৰিয়াল, জীৱ-জন্তু, খাদ্য, ভ্ৰমণ বা পৰিৱেশৰ বিষয়ে হ’ব পাৰে। এই পাঠটো ইতিমধ্যে পঢ়োৱা পাঠো হ’ব পাৰে নাইবা নতুনো হ’ব পাৰে। আপুনি এইটোৰে বহু পাঠ শিকাব পাৰে।

- পাঠটো বুজাই দিয়াৰ লগতে ছাত্ৰ-ছাত্ৰীক ছবিবোৰ দেখুৱাব আৰু লগতে শব্দবোৰ অনুশীলন কৰাব।
- ছাত্ৰ-ছাত্ৰীক নিজাকৈ ছবি আঁকিবলৈ দিব আৰু ইংৰাজীতে লেবেল লগাবলৈ ক’ব।
- তেওঁলোকে অঁকা ছবিৰ আধাৰতে সৰু সৰু বাক্য ক’বলৈ শিকাব।

আপুনি ছাত্ৰ-ছাত্ৰীৰ মান নিৰূপন কেনেকৈ কৰিব? তেওঁলোকে কাম কৰি থকা অৱস্থাত আপুনি তেওঁলোকৰ কথা শুনিবনে? তেওঁলোকে কৰা কাম ব্যাখ্যা কৰিবলৈ দিব নে শ্ৰেণীত প্ৰদৰ্শন কৰিবলৈ দিব?

অতিৰিক্ত শিকনৰ প্ৰয়োজন হোৱা ছাত্ৰ-ছাত্ৰীক আপুনি কি কৰিব? কিছুমান ছাত্ৰ-ছাত্ৰীক কামটো শেষ কৰিবলৈ অতিৰিক্ত সময়ৰ প্ৰয়োজন হয় আৰু কিছুমানক তেওঁলোকৰ লাজ আঁতৰাই কথা কোৱাৰ বাবে সহায়ৰ প্ৰয়োজন হয়। আপোনাৰ পৰিকল্পনা প্ৰয়োজন সাপেক্ষে হ’ব লাগিব। যদি বহুস্তৰীয় শ্ৰেণীকোঠা হয় তেনেহ’লে জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীবোৰক কণিষ্ঠ ছাত্ৰ-ছাত্ৰীক সহায় কৰিবলৈ নিৰ্দেশ দিব। আপুনি দল গঠন কৰি ল’ব যাতে যিসকল ছাত্ৰ-ছাত্ৰীক আপোনাৰ সহায়ৰ প্ৰয়োজন, সেইসকল ছাত্ৰ-ছাত্ৰীক আপুনি মনোযোগ দিব পৰাকৈ দলত বহিবলৈ দিব।

ভি.ডি.অ’ ঃ দলীয় কামৰ প্ৰয়োগ (Video: Using groupwork)

ঘটনা অধ্যয়ন ২ ত ধ্ৰুৱ গগৈয়ে পাঠ্যপুথিখনৰ বিষয়বস্তুৰ ভিত্তিত কিছু নতুন চিন্তা কৰি লৈছিল। পাছৰ ঘটনা অধ্যয়নত শিক্ষকে নিজে ছাত্ৰ-ছাত্ৰীৰ লগত নতুন শব্দ সাজি ব্যৱহাৰ কৰিছিল।

ঘটনা অধ্যয়ন ৩ ঃ তৃষ্ণা লেখাৰু আৰু তেওঁৰ ছাত্ৰ-ছাত্ৰীৰ নতুন শব্দ ব্যৱহাৰ

Case Study 3: Trishna Lekharu and her students use new words

কেনেধৰণৰ ইংৰাজী শব্দ ইতিমধ্যে আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে শিকিছে আৰু কেনে শব্দ তেওঁলোকে শিকিবলৈ বিচাৰে? তৃষ্ণা লেখাৰুৱে শিৱসাগৰৰ এখন বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ পৰা এই কথাটো বিচাৰি উলিয়াইছে।

মই ‘A Busy Road’ নামৰ পাঠটো পাঠ্যপুথিৰ পৰা পঢ়ুৱাইছিলোঁ। এই পাঠৰ কিছুমান শব্দ ব'ৰ্ডত লিখাৰ আগতে মই তেওঁলোকে ইতিমধ্যে জনা ইংৰাজী শব্দৰ কথা সুধিছিলোঁ। তেওঁলোকে মোক কোৱা শব্দবোৰ হ'ল — ‘traffic’, ‘traffic police’, ‘policeman’, ‘cars’, ‘bicycle’, ‘traffic jam’, ‘rush and zebra crossing’।

তাৰপাছত এজন ছাত্ৰই ‘কোলাহল’ শব্দটো উচ্চাৰণ কৰিছিল আৰু মোক সুধিছিল — বাইদেউ, ‘কোলাহল’ শব্দটোৰ ইংৰাজী শব্দ কি? মই এটা নতুন ইংৰাজী শব্দ শ্ৰেণীৰ শব্দবোৰৰ লগত যোগ কৰিলোঁ ঃ ‘noise’ মই এই নতুন শব্দটো বিদ্যালয় চলি থকা দিনত বিভিন্ন সময়ত বিভিন্ন প্ৰকাৰে প্ৰয়োগ কৰি থাকিলোঁ যাতে তেওঁলোকে শব্দটো শিকে আৰু প্ৰয়োগ কৰিব পাৰে। উদাহৰণস্বৰূপে, মই কওঁ —

- ‘Can you hear the noise from the street?’
- ‘What a lot of noise!’
- ‘You are very noisy!’

লগতে এই শব্দটোৰ বিপৰীতাৰ্থক শব্দ শিকাবলৈ চেষ্টা কৰিছিলোঁ - যেনে -

- ‘When you are quiet, you can go outside.’

চিন্তন (Pause for thought)

- তৃষ্ণা লেখাৰুৱে পাঠটো আৰম্ভ কৰিছিল। ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে জনা ইংৰাজী শব্দৰে তেওঁ এই পদ্ধতিৰে আৰম্ভ কৰাতো আপুনি কি বুলি ভাবে?
- তেওঁ ছাত্ৰ-ছাত্ৰীৰ পৰা প্ৰ.ঃ শুনিবলৈ সময় লৈছিল। আপুনি এইটো ভাল কৰা বুলি ভাবেনে?
- তেওঁ নতুন ইংৰাজী ‘noise’ শব্দটো শ্ৰেণীত হোৱা কথা-বতৰাত প্ৰয়োগ কৰিবলৈ চেষ্টা কৰিছিল লগতে এই শব্দটোৰ বিপৰীত অৰ্থ প্ৰকাশক (quiet) শব্দটো প্ৰয়োগ কৰাৰ চেষ্টা কৰিছিল। আপুনি আন দুটা ইংৰাজী শব্দৰ বিপৰীত অৰ্থ প্ৰকাশক শব্দ শিক্ষকৰ কথা-বতৰাত প্ৰয়োগ কৰাৰ কথা চিন্তা কৰেনে?

৩) পাঠ্যপুথিৰ পাঠসমূহ জীৱনৰ লগত জড়িতকৰণ বা পাঠসমূহ সজীৱ কৰি তোলা

(3 Bringing a textbook lesson to life)

দৈনন্দিন জীৱনৰ বাস্তৱ পৰিস্থিতিত যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে ভাষা শিকিব তেতিয়া ভাষা শিকন অধিক ফলপ্ৰসূ আৰু স্মৰণীয় হ'ব। পৰৱৰ্তী ঘটনা অধ্যয়ন ৪ ত শিক্ষকে ছাত্ৰ-ছাত্ৰীক শ্ৰেণীকোঠাৰ বাহিৰলৈ নি ইংৰাজীৰ পাঠ অনুশীলন কৰাব।

ঘটনা অধ্যয়ন ৪ ঃ মুন্মী বসুমতাৰীয়ে পাঠ্যপুথিখনৰ পাঠ সজীৱ কৰি তুলিলে

(Case Study 4: Munmi Basumatary brings a textbook lesson to life)

মুন্মী বসুমতাৰীয়ে বঙাইগাঁৱৰ এখন পিছ পৰা অঞ্চলৰ আঞ্চলিক ভাষাৰ মাধ্যমৰ বিদ্যালয়ত ষষ্ঠ শ্ৰেণীত ইংৰাজী পঢ়ুৱায়।

ইংৰাজী পাঠটো পৰিবহন (Transport) ৰ বিষয়ে আছিল। মই ছাত্ৰ-ছাত্ৰীক তেওঁলোকে ইংৰাজীত জনা যান-বাহনৰ নামৰ তালিকা কৰিবলৈ দিছিলোঁ। তেওঁলোকে এই কামটো কোনো অসুবিধা নোহোৱাকৈয়ে কৰিছিল। ব'ৰ্ডখন বিভিন্ন যান বাহনৰ নামেৰে ভৰি পৰিছিল- কাৰ বা মটৰ বাইকৰ বিশেষ নাম (brand name) বোৰো তাত সন্নিৱিষ্ট হৈছিল।

মই অতি সোনকালে জানিলোঁ যে দুজন মাত্ৰ ছাত্ৰইহে ৰেলত ভ্ৰমণ কৰিছিল, মই ভাবিছিলোঁ যে এইটো বৰ দুৰ্ভাগ্যজনক কথা কিয়নো স্কুলঘৰৰ সন্মুখেৰে ৰে'ল লাইন আছিল আৰু ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিদিনে ৰে'ল চলি যোৱা দেখিছিল।

মই প্ৰধান শিক্ষয়িত্ৰীক ছাত্ৰ-ছাত্ৰীক ৰে'লত উঠোৱাৰ বাবে আৱেদন কৰিছিলোঁ। প্ৰধান শিক্ষয়িত্ৰীয়ে যাত্ৰাৰ বাবে অনুমতি পাইছিল আৰু খণ্ড শিক্ষা বিষয়াৰ পৰা টিকটৰ বাবে টকা আৰু অনুমতি লাভ কৰিছিল '

ভ্ৰমণৰ আগৰ সপ্তাহৰ কথা। মই ছাত্ৰ-ছাত্ৰীক ভাষাৰ এলানি ত্ৰি য়া-কলাপৰ বাবে সাজু কৰি তুলিছিলোঁ—

- অসমীয়া আৰু ইংৰাজী দ্বিভাষিক পুস্তিকা পঢ়া আৰু ৰে'ল যাত্ৰাৰ ক্ষেত্ৰত 'dos and don'ts' ৰ তালিকা কৰা
- টিকট কাউন্টাৰত অসমীয়া আৰু ইংৰাজী টিকট কিনাৰ ক্ষেত্ৰত কথা পাতিবলৈ শিকোৱা।
- সহযাত্ৰীৰ লগত ইংৰাজী কথা-বতৰা 'Good afternoon' আৰু 'This is my class' অনুশীলন কৰিবলৈ শিকোৱা

মই ৩২ জন উৎসাহিত ছাত্ৰ-ছাত্ৰীক ৰেলেৰে যাত্ৰা কৰিবৰ বাবে বাছি ল'লো লগতে আন এজন শিক্ষককো ল'লো। উদ্যোগী ছাত্ৰ-ছাত্ৰীসকল ভদ্ৰ আচৰণৰ আছিল। তেওঁলোকে মই শিকোৱামতে ইংৰাজী পাঠৰ কথাবোৰ প্ৰয়োগ কৰিবলৈ যত্ন কৰিছিল।

- টিকট কাউন্টাৰত টিকটৰ মূল্য কিমান সোধা আৰু কিনা
- টিকট বিত্ৰে তা আৰু চন্তৰীক 'thank you' ক'বলৈ শিকা
- ৰে'লৰে প্লেটফৰ্মত থকা নামফলকসমূহ পঢ়িবলৈ শিকা
- ষ্টেচনত অসমীয়া আৰু ইংৰাজীত কৰা ঘোষণাসমূহ শুনি বুজিবলৈ শিকা
- আন যাত্ৰীক 'Hello' আৰু 'How are you?' ক'বলৈ শিকা

এই ভ্ৰমণটো যদিও এঘন্টাতকৈ কম আছিল তথাপি আমাৰ বাবে স্মৰণীয় অভিজ্ঞতা আছিল। মই এই ভ্ৰমণ কাৰ্যসূচীটো অতি মূল্যৱান হোৱা বুলি অনুভৱ কৰিছিলোঁ আৰু ছাত্ৰ-ছাত্ৰীয়ে যিমানখিনি ইংৰাজী শিক্ষা ল'ব বুলি আশা কৰিছিলোঁ তাতকৈ বহু বেছি আহৰণ কৰিছিল। পাঠ্যপুথিৰ পৰিবহনৰ এই পাঠটো বাস্তৱ জীৱনৰ লগত খাপ খাই পৰিছিল।

এই ভ্ৰমণ কাৰ্যসূচীটোৰে মই ইংৰাজী শিকোৱাৰ পদ্ধতিলৈ পৰিবৰ্তন আনিছিল। এতিয়া মই ছাত্ৰ-ছাত্ৰীক ইংৰাজী শিকাবলৈ যোৱাৰ আগতে তেওঁলোকক ব্যক্তিগতভাৱে অভিজ্ঞতা পোৱাৰ সুবিধা দিম যাতে তেওঁলোকে ইংৰাজীত শ্ৰৱণ, কথন, পঠনৰ অভ্যাস কৰাৰ সুবিধা পায়।



চিন্তন (Pause for thought)

- এই ভ্ৰমণ কাৰ্যসূচীটোত ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন উদ্দেশ্য সাধনৰ বাবে ইংৰাজী শিকিছিল। আপুনি তেনে উদ্দেশ্যৰ কেইটামান নাম ক'ব পাৰিবনে?
- ৰেল ষ্টেচনলৈ যদি শ্ৰেণীটোৰ ছাত্ৰ-ছাত্ৰীক নিব নোৱাৰিলেহেঁতেন তেনেহ'লে ইংৰাজী ভাষাৰ এই ত্ৰি য়া-কলাপবোৰ শ্ৰেণীত কেনেকৈ কৰিলেহেঁতেন?

বিশেষ উদ্দেশ্যৰ কাৰণে ভাষাৰ অনুশীলন কৰিবলৈ অভিনয় আৰু নাটকসমূহ এটা ফলপ্ৰসূ উপায়। উদাহৰণস্বৰূপে, ছাত্ৰ-ছাত্ৰীয়ে ৰেলৰ টিকট বিত্ৰে তাৰ চৰিত্ৰ, পৰিচালক, যাত্ৰী আৰু দোকানী হিচাপে অভিনয় কৰিব পাৰিব। ৰেলৰ পোষ্টাৰ, ঘোষণা, সৰু পুস্তিকা আৰু টিকট আদি ইংৰাজীত প্ৰস্তুত কৰিব। এদিনৰ কাৰণে শ্ৰেণীকোঠাটো ৰেল ষ্টেচনলৈ পৰিণত হ'ব, তেওঁলোকে ইংৰাজীত পাঠ আৰু অনুশীলন কৰি কাল্পনিকভাৱে ৰেলত ভ্ৰমণ কৰি গৈ থাকিব। শ্ৰেণীকোঠাটো এটা ৰেল ষ্টেচনলৈ ৰূপান্তৰিত কৰি ইংৰাজী পাঠ অভ্যাস কৰাব পাৰি।



ভি.ডি. অ' ঃ চিন্তাৰ খোৰাক যোগাবলৈ প্ৰ.াৰ প্ৰয়োগ (Video: Using questioning to promote thinking)

ত্ৰি য়া-কলাপ ৩ ঃ পাঠ্যপুথিৰ পাঠসমূহ জীৱনৰ লগত জড়িতকৰণ বা সজীৱ কৰি তোলা (Activity 3: Bring a textbook lesson to life – a planning activity)

আপুনি ইংৰাজী পাঠ্যপুথিৰ প্ৰতিটো গোটত ছাত্ৰ-ছাত্ৰীৰ বাস্তৱ জীৱনৰ লগত সম্পৰ্ক আছে সেইটো উলিয়াই ল'ব পাৰে। উদাহৰণস্বৰূপে - চতুৰ্থ শ্ৰেণীৰ ভাষাৰ পাঠ্যপুথিৰ 'going to buy a book' এই পাঠটোৰ পৰা যথেষ্ট সংখ্যক প্ৰ.া আৰু গুণকাৰী ত্ৰি য়া-কলাপৰ সৃষ্টি কৰে —

- Who has been to a bookshop, or to a library? What did you see there?
- Would you see other reading materials in English besides books?
- What English words and sentennces do we hear in a bookshop or library?

- What English signs and labels would we read?
- How would we speak politely to people in these places?
- What questions would we ask?
- What information would we find?
- Can we make a library or bookshop in our classroom?
- Can we invite someone from a local bookshop or library to talk to the class?

এতিয়া আপুনি নিজৰ ভাষাৰ পাঠ্যপুথিৰ পৰৱৰ্তী পাঠলৈ যাওক।

যদি সম্ভৱ হয় আপোনাৰ সহকৰ্মীৰ লগত সম্ভাব্য প্ৰ.ন আৰু ফলপ্ৰসূ ত্ৰি য়া-কলাপৰ বিষয়ে আলোচনা কৰক (যদিওবা আপুনি এই ত্ৰি য়া-কলাপসমূহ বৰ্ত্তমান পৰিস্থিতিত কৰিব নোৱাৰিবও পাৰে)।

আপোনাৰ ভাববোৰৰ এখন তালিকা কৰক। এই ভাব বা ধাৰণা যিকোনো এটা আপুনি প্ৰয়োগ কৰি চাব পাৰিবনে? আপোনাক এই কাৰ্যত কৃতকাৰ্য হ'বলৈ কিহৰ প্ৰয়োজন হ'ব।

৪) সাৰাংশ (4 Summary)

আপোনাৰ পাঠ্যপুথিখন ভাষাৰ ত্ৰি য়া-কলাপৰ বাবে এটা 'Magic box' হ'ব পাৰে। পাঠ্যপুথিখন এখন প্ৰয়োজনীয় নিৰ্দেশক পুথি, বিভিন্ন সমলৰ উৎস কিন্তু শিক্ষক হিচাপে আপুনি এই সমলসমূহক ভেঁটি হিচাপে লৈ ভাষা শিকনৰ বাবে ত্ৰি য়া-কলাপ প্ৰস্তুত কৰিব লাগিব। পাঠ্যপুথিখন ভাষা শিকনৰ এটা আহিলা,কিন্তু একমাত্ৰ সমল নহয়। এইধৰণে আপুনি পাঠ্যপুথিখন প্ৰয়োগ কৰি ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন পূৰ কৰিব পাৰে। অৱশ্যে আপুনি এইধৰণৰ ত্ৰি য়া-কলাপ আপোনাৰ পছন্দৰ কোনো গল্প, কবিতা ছাত্ৰ-ছাত্ৰীৰ পছন্দৰ গল্প, কবিতা বা স্থানীয় ঠাই বা ঘটনা লৈ কৰিব পাৰে।

আপুনি কৰা আখৰা বা অনুশীলনে আপোনাক আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীক আপোনাৰ মাতটোৰ লগত অভ্যস্ত হ'বলৈ সহায় কৰিব। প্ৰথমতে ইংৰাজী কোৱা আখৰা কৰিলে নিজৰে কিছু অস্বাভাৱিক অনুভৱ হয়, অনুশীলন বা আখৰা কৰাৰ লগে লগে আপোনাৰ নিজকে একো নজনা বুলি ভাব আহিব পাৰে, আমি ভাবো যে এই গোটটোৱে আপোনাক কিছু সৃষ্টিশীল ত্ৰি য়া-কলাপেৰে সমৃদ্ধ কৰিব।

অন্য প্ৰাথমিক বিদ্যালয়ৰ ইংৰাজীৰ শিক্ষকসকলে এই বিষয়ৰ ওপৰত লোৱা পাঠগোটবোৰ হৈছে -

- শ্ৰেণীকোঠাৰ ৰুটিন *(Classroom routines)*
- গীত, ওমলা গীত আৰু শব্দৰ খেল *(Songs, rhymes and word play)*
- সৃষ্টিশীল কলাৰ জৰিয়তে ইংৰাজী শিকন *(Learning English in the creative arts)*
- ইংৰাজী আৰু বিষয়বস্তুৰ সমন্বিতকৰণ *(English and subject content integration)*
- ইংৰাজীৰ বাবে সমাজৰ সমলসমূহ *(Community resources for English)*

সমলসমূহ (Resources)

সমল ১ ঃ প্ৰ.নৰ ব্যৱহাৰেৰে চিন্তাক আগবঢ়াই নিয়া
(Resource 1: Using questioning to promote thinking)

শিক্ষকে সকলো সময়তে প্ৰ.ন কৰিব লাগে। প্ৰ.ন সোধা মানে শিক্ষকে ছাত্ৰ-ছাত্ৰীক শিকিবলৈ সহায় কৰা। গৱেষণা (Hastings, 2003) ৰ পৰা আমি জানো যে গড় হিচাপে এগৰাকী শিক্ষকে তেখেতৰ এক তৃতীয়াংশ সময়েই প্ৰ.ন সোধাত ব্যৱহাৰ কৰে। শিক্ষকে সোধা প্ৰ.নসমূহৰ ৬০ শতাংশ স্মৃতিৰ পৰা, ২০ শতাংশ তেওঁ কাৰ্য প্ৰণালীৰ সম্বন্ধৰ পৰা (Hattie, 2012) । আৰু ইয়াৰ বেছি ভাগ উত্তৰেই 'হয়' বা 'নহয়'।

কিন্তু সাধাৰণভাৱে সোধা প্ৰ.নই (উত্তৰ শুদ্ধ বা অশুদ্ধ) শিকনক আগবঢ়াই নিয়ে জানো?

বিভিন্ন প্ৰকাৰৰ প্ৰ.ন আছে যিবোৰ আপুনি ছাত্ৰ-ছাত্ৰীক সুধিব পাৰে। শিক্ষকে যেনেধৰণৰ উত্তৰ আৰু ফলাফল বিচাৰে তেনে ধৰণৰ প্ৰ.নহে প্ৰয়োগ কৰা উচিত। শিক্ষকে সাধাৰণতে ছাত্ৰ-ছাত্ৰীক প্ৰ.ন কৰে বিভিন্ন উদ্দেশ্যেৰে —

- ছাত্ৰ-ছাত্ৰীক নতুন পাঠ এটা পৰিচয় কৰোৱাৰ সময়ত তেওঁলোকৰ বোধৰ বাবে সহায় কৰিবলৈ।
- ছাত্ৰ-ছাত্ৰীক চিন্তা কৰাৰ সুবিধা দিবলৈ
- ভুল শুধৰণিৰ বাবে

- ছাত্ৰ-ছাত্ৰীৰ জ্ঞান বহলাবলৈ
- বুজি পোৱাটো জানিবলৈ

প্ৰকৃততে ছাত্ৰ-ছাত্ৰীয়ে কি বুজি পালে বা জানিলে সেইটো জানিবৰ বাবে প্ৰশ্ন সোধা হয়, সেয়েহে ছাত্ৰ-ছাত্ৰীৰ মান নিৰূপণ কৰাৰ বাবে প্ৰশ্ন সোধাটো প্ৰয়োজনীয় এটা আহিলা। প্ৰশ্নৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ চিন্তা কৰাৰ দক্ষতা আৰু বিচাৰ কৰা বা অনুসন্ধিৎসু মনৰ বিকাশ সাধন কৰিব পাৰি। প্ৰশ্নবোৰ সাধাৰণতে দুটা ভাগত ভগাব পাৰি —

- **নিম্ন পৰ্যায়ৰ প্ৰশ্ন** (Lower-order questions) - এই প্ৰশ্নবোৰ হ'ল আগতে শিকা কথাবোৰ বুজি উত্তৰ দিয়াৰ লগতে হয় বা নহয়ৰে উত্তৰ দিয়াৰ প্ৰশ্নবোৰ জড়িত হৈ থাকে।
- **উচ্চ পৰ্যায়ৰ প্ৰশ্ন** (Higher-order questions) - এনে প্ৰশ্নত অধিক চিন্তা জড়িত হৈ থাকে। এনে প্ৰশ্নত আগতে শিকা কথাৰ লগতে যুক্তি ৰে প্ৰদৰ্শন কৰিবলৈ দিয়া হয়। এনে প্ৰশ্নবোৰ প্ৰায়ে সামৰণিৰ বাবে মুকলি ৰখা হয়।

মুক্ত অন্ত (Open-ended) প্ৰশ্নই ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথিৰ উপৰি নিজাববীয়াকৈ চিন্তা কৰাৰ সুযোগ দিয়ে। এনে প্ৰশ্নই শিক্ষকক ছাত্ৰ-ছাত্ৰীয়ে পাঠ কিমান বুজি পাইছে সেইটোৰ মান নিৰূপণ কৰাতো সহায় কৰে।

ছাত্ৰ-ছাত্ৰীৰ সঁহাৰিক উৎসাহ দিয়া (Encouraging students to respond)

বহু শিক্ষকে এক চেকেণ্ডতকৈও কম সময় উত্তৰ দিয়াৰ বাবে অনুমতি দিয়ে, সেইবাবেই প্ৰায়ে প্ৰশ্নটোৰ উত্তৰটো ঠিকমতে ছাত্ৰ-ছাত্ৰীয়ে দিব নোৱাৰে। ছাত্ৰ-ছাত্ৰীক প্ৰশ্নৰ উত্তৰ দিবলৈ সময় দিব লাগে। কিয়নো উত্তৰটো কি হ'ব সেই বিষয়ে ভাবিবলৈ সময় লাগে। যদি সময় দিয়া হয় তেতিয়া ছাত্ৰ-ছাত্ৰীয়ে ভাবিবলৈ সময় পাব। এনে কৰিলে ছাত্ৰ-ছাত্ৰীৰ কামৰ এটা সদাৰ্থক প্ৰভাৱ পোৱা যায়। প্ৰশ্ন সুধি কিছুসময় ৰৈ দিলে তলত দিয়া দিশবোৰ বৃদ্ধি হয় ঃ

- ছাত্ৰ-ছাত্ৰীৰ সঁহাৰি দীঘলীয়া হয়।
- সঁহাৰি দিয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ে
- ছাত্ৰ-ছাত্ৰীয়ে ঘনাই প্ৰশ্ন সোধে
- কম জনা ছাত্ৰ-ছাত্ৰীৰ পৰাও সঁহাৰি পোৱা যায়
- ছাত্ৰ-ছাত্ৰীৰ মাজত ইতিবাচক যোগাযোগ ঘটে।

আপোনাৰ সঁহাৰি মূল্যৱান (Your response matters)

আপুনি যদি সকলো প্ৰশ্নৰ উত্তৰ গ্ৰহণ কৰে তেনেহ'লে ছাত্ৰ-ছাত্ৰীয়ে অবিৰতভাৱে উত্তৰ দিবলৈ ভাবিব আৰু চেষ্টা কৰিব। বিভিন্ন উপায়েৰে ভুল উত্তৰ আৰু ভ্ৰান্ত ধাৰণা শুধৰাব পাৰি। যদি এজন ছাত্ৰৰ এটা ভুল ধাৰণা আছে তেনেহ'লে আপুনি নিশ্চিত হওক যে আন বহুতৰে তেনে ধাৰণা আছে। আপুনি তলৰ উপায়সমূহ চেষ্টা কৰি চাওক —

- উত্তৰটোৰ শুদ্ধ অংশখিনি বাছি লওক আৰু ছাত্ৰ-ছাত্ৰীক উত্তৰটোৰ বিষয়ে আৰু কিছু ভাবিবলৈ সহায় কৰক। এনে কৰিলে তেওঁলোকে তেওঁলোকৰ ভুলৰ পৰা শিকিব আৰু উত্তৰ দিবলৈ অংশগ্ৰহণ কৰাত আগ্ৰহী হ'ব।
- আপোনাক ছাত্ৰ-ছাত্ৰীয়ে ভুল উত্তৰ দিলে কেনেকৈ সঁহাৰি জনাব লাগে সেইবিষয়ে ক'ব "বাষ্পই মেঘ সৃষ্টি কৰে" কিন্তু মই ভাবো আমি আৰু কিছু বেছিকৈ কেনেকৈনো 'বৰষুণ' সৃষ্টি হয় সেইবিষয়ে অনুসন্ধান কৰাৰ প্ৰয়োজন। কোনোবাই ইয়াৰ বাবে কিছু ধাৰণা দিব পাৰে নেকি?'
- ছাত্ৰ-ছাত্ৰীয়ে দিয়া সকলোবোৰ উত্তৰ ব'ৰ্ডত লিখি দিব আৰু ছাত্ৰ-ছাত্ৰীক সেই উত্তৰবোৰৰ বিষয়ে ভাবিবলৈ দিব আৰু তেওঁলোকৰ কোনটো শুদ্ধ উত্তৰ সুধিব। কিহে তেওঁলোকক আন এটা উত্তৰ দিবলৈ আগবঢ়াই নিয়ে? এনে কামৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে চিন্তা কৰিব আৰু এটা ভয়হীন পৰিৱেশত উত্তৰ দিবলৈ আৰু নিজৰ ভুল শুধৰণি কৰিবলৈ সুযোগ পাব।

মনোযোগেৰে আৰু গুৰুত্ব সহকাৰে সকলোৰে উত্তৰবোৰ শুনিব আৰু ছাত্ৰ-ছাত্ৰীক বহলাই বুজাই ক'বলৈ দিব। ছাত্ৰ-ছাত্ৰীক বিস্তৃতভাৱে বুজাই ক'বলৈ দিলে তেওঁলোকে নিজৰ ভুলবোৰ নিজে নিজে শুদ্ধ কৰি ল'ব। আপুনি এটা চিন্তাশীল শ্ৰেণীকোঠাৰ সৃষ্টি কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীয়ে কেনেকৈ শিকিলে, কেনেকৈ আগবাঢ়িলে সেইবিষয়ে নিশ্চিত হ'ব। যদি অশুদ্ধ উত্তৰ দিয়াৰ বাবে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰী লজ্জিত হ'ব লগা হয়, তেনেহ'লে ছাত্ৰ-ছাত্ৰীয়ে লাজ আৰু ভয়তে উত্তৰ দিবলৈ বন্ধ কৰি দিব।

গুণগত সঁহাৰিৰ মান উন্নতকৰণ (Improving the quality of responses)

আপুনি এটা ত্ৰ মত প্ৰ. যুগুতাওক যাতে প্ৰ.বোৰ কোনো শুদ্ধ উত্তৰেৰে সমাপ্ত নহয়। শুদ্ধ উত্তৰৰ বাবে পুৰস্কৃত কৰক আৰু প্ৰ. কৰক যিয়ে তেওঁলোকক শিক্ষকৰ লগত মিলিত হৈ আলোচনাত অংশগ্ৰহণৰ সুবিধা দিব। আপুনি তলত দিয়া ধৰণেৰে প্ৰ. সুধিব পাৰেঃ

- কেনেকৈ বা কিয়? (a *how* or a *why*)
- আন উপায়েৰে উত্তৰ দিবলৈ (another way to answer)
- ইয়াতকৈ ভাল শব্দৰ প্ৰয়োগেৰে (a better word)
- উত্তৰটো প্ৰমাণেৰে বুজাবলৈ (evidence to substantiate an answer)
- সম্পৰ্কিত কৌশলৰ সমন্বয় (integration of a related skill)
- নতুন পৰিস্থিতিত একে কৌশল বা যুক্তি প্ৰয়োগ কৰি (application of the same skill or logic in a new setting)

ছাত্ৰ-ছাত্ৰীয়ে গভীৰভাবে চিন্তা কৰি উত্তৰ কৰিবলৈ সহায় কৰাত আপোনাৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে।

তলত উল্লেখ কৰা অৰ্হতাই অধিক লাভ কৰাত সহায় কৰিব ঃ

- **Prompting** ঃ ইয়াৰ বাবে উপযুক্ত সঁহাৰিৰ উমানৰ প্ৰয়োজন। কাৰণ ছাত্ৰ-ছাত্ৰীক এই সঁহাৰিয়ে তেওঁলোকৰ উত্তৰ দিয়াৰ ক্ষেত্ৰত বিকাশ আৰু উন্নতি সাধন কৰিব পাৰে। ('So what would happen if you added a weight to the end of your paper aeroplane?')
- **Probing** ঃ সূক্ষ্মানুন্ধানে ছাত্ৰ-ছাত্ৰীসকলক যিকোনো কথা আৰু অধিক সূক্ষ্মভাবে জনাত সহায় কৰে। উত্তৰ এটা যদি আংশিকভাবেহে শুদ্ধ হয় বা বিশৃংখল হৈ থাকে, Probing ৰ সহায়ত উত্তৰ স্পষ্টকৈ বুজাই দিব পাৰি। ('So what more can you tell me about how this fits together?')
- **Refocusing** ঃ ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে জানি অহা কথাৰ লগত সংযোগ কৰি নতুন জ্ঞান আহৰণ কৰিব পাৰে। এনে কৰিলে ছাত্ৰ-ছাত্ৰীয়ে বহলভাবে বুজি পায়। ('What you have said is correct, but how does it link with what we were looking at last week in our local environment topic?')
- **Sequencing** ঃ ত্ৰ ম অনুসাৰে প্ৰ. সুধিলে ছাত্ৰ-ছাত্ৰীয়ে বহলকৈ ভাবিবলৈ সুবিধা পায়। প্ৰ.বোৰে ছাত্ৰ-ছাত্ৰীক মূলভাৱ, তুলনা, ব্যাখ্যা, বি ষণ আদি কৰাৰ সুযোগ দিয়ে। প্ৰ.বোৰ প্ৰস্তুত কৰোঁতে ছাত্ৰ-ছাত্ৰীয়ে চিন্তাৰ সুযোগ পোৱা ধৰণৰ হ'ব লাগে কিন্তু ইমান জটিল ধৰণৰো হ'ব নালাগে যাতে তেওঁলোকে প্ৰ.টোৰ অৰ্থ বুজি নোপোৱা হৈ যায় বা আঁত হেৰুৱায়। ('Explain how you overcame your earlier problem. What difference did that make? What do you think you need to tackle next?')

  (তুমি কেনেকৈ আগৰ সমস্যাটো সমাধান কৰিছিলা? কি পাৰ্থক্য পাইছিলা? তুমি ইয়াৰ পৰৱৰ্তী সমস্যা সমাধান কৰিবলৈ কি ব্যৱস্থা ল'ব লাগিব বুলি ভাবা?)
- **Listening** (শ্ৰৱণ) ঃ ৰ দ্বাৰা আপুনি আশা কৰা উত্তৰটোত দৃষ্টি দিয়াৰ উপৰি আপুনি সচেতন হ'ব লাগিব কিজানি আপুনি বিচৰা উত্তৰৰ উপৰি কিবা নতুন ধৰণৰ কথাও হ'ব পাৰে। এইটোৰে ইয়াকে বুজায় যে আপুনি তেওঁলোকৰ চিন্তাক গুৰুত্ব দিছে। আপোনাৰ গুৰুত্ব দিয়া অনুসৰি ছাত্ৰ-ছাত্ৰীয়ে ভালকৈ ভাবি চিন্তি প্ৰ.ৰ উত্তৰসমূহ দিবলৈ যত্ন কৰিব। ('I hadn't thought of that. Tell me more about why you think that way.')

শিক্ষক হিচাপে আপুনি ছাত্ৰ-ছাত্ৰীয়ে উত্তৰ দিব পৰা অথচ চিন্তা কৰিবলগীয়া প্ৰ. সুধিব যাতে তেওঁলোকৰ চিন্তাৰ বিকাশ হয়। উত্তৰ দিবলৈ তেওঁলোকক যথেষ্ট সময় দিব যাতে তেওঁলোকে চিন্তা কৰি উত্তৰ দিব পাৰে।

প্ৰ. কৰোঁতে সদায় মনত ৰাখিব যাতে প্ৰ.বোৰ শিক্ষকে জনাৰ ওপৰত নহয়, ছাত্ৰ-ছাত্ৰীয়ে জনাৰ ওপৰতহে হ'ব লাগে।

আপুনি নিজৰ প্ৰ.ৰ উত্তৰ নিজে নিদিব। যদি ছাত্ৰ-ছাত্ৰীয়ে জানেই যে কিছুসময় মনে মনে থকাৰ পাছতেই আপুনি তেওঁলোকক উত্তৰটো কৈ দিব, তেওঁলোকৰ উত্তৰ দিয়াৰ হেঁপাহেই হেৰাই যাব পাৰে।

Additional resources

- Teachers of India classroom resources: http://www.teachersofindia.org/en

References/bibliography

Amritavalli, R. (2007) *English in Deprived Circumstances: Maximising Learner Autonomy.* Department of Linguistics, The English and Foreign Languages University, University Publishing Online: Foundation Books.

Cummins, J. (undated) 'BICS and CALP' (online), Jim Cummins' Second Language Learning and Literacy Development Web. Available from: http://iteachilearn.org/cummins/bicscalp.html (accessed 2 July 2014).

Cummins, J. (2000) *Language, Power, and Pedagogy: Bilingual Children in the Crossfire.* Bristol: Multilingual Matters.

Gibbons, P. (2002) *Scaffolding Language, Scaffolding Learning: Teaching Second Language Learners in the Mainstream Classroom.* Portsmouth: Heinemann.

Hastings, S. (2003) 'Questioning', *TES Newspaper*, 4 July. Available from: http://www.tes.co.uk/article.aspx?storycode=381755 (accessed 22 September 2014).

Hattie, J. (2012) *Visible Learning for Teachers: Maximising the Impact on Learning*. Abingdon: Routledge.

Krashen, S. (1981) *Second Language Acquisition and Second Language Learning.* Oxford: Pergamon Press.

Krashen, S. (1982) *Principles and Practice in Second Language Acquisition.* Oxford: Pergamon Press.

Mohan, B. (1986) *Language and Content.* Reading, MA: Addison-Wesley.

Mohan, B., Leung, C. and Davison, C. (eds) (2001) *English as a Second Language in the Mainstream: Teaching, Learning and Identity.* New York, NY: Longman.

Wells, G. (2003) 'Children talk their way into literacy', published as 'Los niños se alfabetizan hablando' in García, J.R. (ed.) *Enseñar a escribir sin prisas … pero con sentido*. Sevilla, Spain: Publicaciones MCEP. Available from: http://people.ucsc.edu/~gwells/Files/Papers_Folder/Talk-Literacy.pdf (accessed 8 July 2014).

Wells, G. (2009) *The Meaning Makers: Learning to Talk and Talking to Learn*, 2nd edn. Bristol: Multilingual Matters.

Acknowledgements

This content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/), unless identified otherwise. The licence excludes the use of the TESS-India, OU and UKAID logos, which may only be used unadapted within the TESS-India project.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.